অসম

ৰঙাজান দুর্ঘটনা: ট্রেভেলাৰখনৰ মালিকক দুদিনৰ আৰক্ষী জিম্মা

ৰঙাজানত দুর্ঘটনাগ্রস্ত ট্রেভেলাৰখনৰ মালিক অঞ্জিৰ আলীক দুদিনৰ আৰক্ষী জিম্মালৈ প্রেৰণ কৰা হৈছে। চালক আৰু হেণ্ডিমেনৰ ভিচেৰা দিল্লীৰ এফএছএললৈ পঠিওৱা হ'ব।

প্রকাশ: ১৫ নৱেম্বৰ ২০২৬, পুৱা ৯:৫২



কাজিৰঙা, ১৫ নৱেম্বৰ: কাজিৰঙাৰ ৰঙাজানত সংঘটিত ভয়ংকৰ পথ দুর্ঘটনাৰ তদন্তত নতুন মোৰ। দুর্ঘটনাটোৰ সৈতে জড়িত ট্রেভেলাৰখনৰ মালিক অঞ্জিৰ আলীক দুদিনৰ বাবে আৰক্ষীৰ জিম্মালৈ প্রেৰণ কৰিছে আদালতে। বোকাখাত আৰক্ষীয়ে শনিবাৰে নিশা তেওঁক গ্রেপ্তাৰ কৰিছিল।

আৰক্ষীৰ সূত্র অনুসৰি, দুর্ঘটনাত পতিত ট্রেভেলাৰখনৰ বিৰুদ্ধে পূর্বেও বহুবাৰ যান-বাহন আইন উলংঘা কৰাৰ অভিযোগ উত্থাপন হৈছে। বাহনখনৰ পূর্বৰ যান-বাহন আইন উলংঘাৰ ঘটনাসমূহো তদন্তৰ আওতালৈ অহাৰ সম্ভাৱনা আছে। দুর্ঘটনাটোৰ আঁৰৰ কাৰণ আৰু বাহনখনৰ চলাচল সম্পর্কীয় তথ্য সংগ্রহৰ বাবে আৰক্ষীয়ে তদন্ত অব্যাহত ৰাখিছে।

ইফালে, দুর্ঘটনাটোৰ প্রকৃত কাৰণ উদঘাটনৰ বাবে ট্রেভেলাৰখনৰ চালক আৰু হেণ্ডিমেনৰ ভিচেৰা পৰীক্ষা কৰাৰ সিদ্ধান্ত লৈছে চৰকাৰে। দুয়োৰে ভিচেৰা নমুনা অধিক পৰীক্ষাৰ বাবে দিল্লীৰ ফৰেনছিক বিজ্ঞানাগাৰলৈ (FSL) প্রেৰণ কৰা হ’ব।

গাড়ী চলাই থকা অৱস্থাত চালক আৰু হেণ্ডিমেনে কোনো নিচাযুক্ত দ্ৰব্য সেৱন কৰিছিল নেকি, সেয়া নিশ্চিত কৰাৰ উদ্দেশ্যে এই পৰীক্ষা কৰা হ’ব। পৰীক্ষাৰ ফলাফলৰ পৰা দুৰ্ঘটনাৰ সময়ত তেওঁলোকৰ শাৰীৰিক অৱস্থা সম্পৰ্কে তথ্য লাভ কৰাৰ আশা কৰা হৈছে।

ইতিমধ্যে ট্ৰেভেলাৰৰ মালিকক গ্ৰেপ্তাৰ আৰু চালক-হেণ্ডিমেনৰ ভিচেৰা পৰীক্ষাৰ সিদ্ধান্তই দুৰ্ঘটনাটোৰ তদন্তক অধিক গুৰুত্বপূৰ্ণ কৰি তুলিছে। আৰক্ষীৰ তদন্ত আৰু ফৰেনছিক পৰীক্ষাৰ প্ৰতিবেদনৰ পাছতহে দুৰ্ঘটনাটোৰ আঁৰৰ কাৰণ সন্দৰ্ভত অধিক স্পষ্ট তথ্য পোহৰলৈ অহাৰ সম্ভাৱনা আছে।

এই খবৰটো NewzNow-ত প্ৰথমে প্ৰকাশ হৈছিল। সম্পূৰ্ণ খবৰ, ভিডিঅ' আৰু আপডেটৰ বাবে চাওক:
newznow.in/news/3136/kaziranga-rangajan-traveller-owner-custody-viscera-test